**বাজেটৰ নীতিসমূহ (Principles of Budget) ঃ**

(১) **পৰিকল্পনা (Planning) ঃ** সংসদত গৃহীত বাজেট এখনক চৰকাৰৰ কৰ্ম-আঁচনি বুলি ক'ব পাৰি। গতিকে এই আঁচনি চৰকাৰৰ কাৰ্যত অৰ্থৰ ওপৰত

Scanned by CamScanner

সুপৰিকল্পিত হোৱাৰ প্ৰয়োজন। পৰিকল্পনা সাধাৰণতে দীৰ্ঘম্যাদীব (Long term) হয়, কিন্তু বাজেট হ্ৰস্বম্যাদীৰো (Short term) হয়। চৰকাৰৰ সামাজিক, অৰ্থনৈতিক, আনকি সাংস্কৃতিক কৰ্তব্য আৰু দায়িত্বৰ প্ৰতিচ্ছবি বাজেটত প্ৰতিফলিত হোৱা উচিত। বাজেট আৰু পৰিকল্পনা একেটা মুদ্ৰাৰে দুটা পিঠি। নিয়াৰিকৈ অথবা বৈজ্ঞানিকভাৱে প্ৰস্তুত কৰা এখন বাজেট কাৰ্যকৰী কৰি উৎপাদন বৃদ্ধি, অৰ্থ আৰু অন্যান্য সম্পত্তি বিতৰণৰ ক্ষেত্ৰত বৈষম্য হ্ৰাস, মুদ্ৰাস্ফীতি বন্ধ, নিবনুৱা সমস্যা দূৰীকৰণ আদিৰ ক্ষেত্ৰত বহু পৰিমাণে সফলতা অৰ্জন কৰিব পাৰি। বাজেটত সন্নিৱিষ্ট কৰা উদ্দেশ্যসমূহত উপনীত হ'বলৈ পৰিকল্পিত কাৰ্যপন্থাৰ প্ৰয়োজন হয়। দেশৰ আয়, ব্যয়, জনসংখ্যা, জনসাধাৰণৰ সমস্যা আৰু আশা-আকাংক্ষা আদিৰ বিষয়েও তথ্য সংগ্ৰহ কৰি আঁচনি প্ৰস্তুত কৰাৰ আৱশ্যক হয়।

(২) **গৱেষণা (Research) ঃ** পৰিকল্পনা প্ৰস্তুত কৰোঁতে ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা আৰু সম্পদ তথা সমগ্ৰ পৃথিৱীৰ অৰ্থনৈতিক পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰাখিব লাগে। অৰ্থনৈতিকভাৱে সমগ্ৰ পৃথিৱীখনকেই এটা গোট হিচাপে বিবেচনা কৰিব পাৰি। কোনো এখন দেশৰ অৰ্থনৈতিক পৰিৱৰ্তনে সমগ্ৰ বিশ্বৰ ওপৰতে প্ৰভাৱ পেলাব পাৰে। সেইবাবে গৱেষণাৰ প্ৰয়োজন হয়।

(৩) **সন্তুলিত বাজেট (Balanced Budget) ঃ** ভাৰতৰ এজন অভিজ্ঞ বিত্তীয় বিষয়াই কৈছিল যে বিত্তীয় সুস্থিৰতাৰ প্ৰথম উপাদান হৈছে সন্তুলিত বাজেট ব্যৱস্থা। ৰাষ্ট্ৰীয় আয় সীমাহীন নহয় আৰু ই কিছুমান সুনিৰ্দিষ্ট নীতিৰ দ্বাৰাহে পৰিচালিত হয়। যিহেতু, কোনো দেশৰেই ৰাজহ অসীমিত নহয়। সীমিত ৰাজহৰ ওপৰত ভিত্তি কৰিহে খৰচৰ পৰিমাণ নিৰ্ধাৰণ কৰা হয়। ৰাজহতকৈ ব্যয়ৰ পৰিমাণ অধিক হ'লে বিত্তীয় ব্যৱস্থাত অস্থিৰতাই দেখা দিয়াৰ সম্ভাৱনা থাকে।

যি বাজেটত আয় আৰু ব্যয়ৰ পৰিমাণ সমান হয় সেই বাজেটক সন্তুলিত বাজেট (Balanced Budget) বুলি কোৱা হয়। নাগৰিকৰ পৰা আদায় কৰা কৰ আৰু অন্যান্য ৰাজহৰ বিনিময়ত সমপৰিমাণৰ সেৱা আগবঢ়াবলৈ সন্তুলিত বাজেটে যথেষ্ট অৰিহণা আগবঢ়ায়।

প্ৰশাসনিক সুস্থিৰতা ৰক্ষা কৰাত আইন-শৃঙ্খলাৰ যিদৰে প্ৰয়োজন, ঠিক সেইদৰেই বিত্তীয় অস্থিৰতা দূৰ কৰাৰ বাবে সন্তুলিত বাজেটৰ প্ৰয়োজন বুলি ক'ব পাৰি। ঘাটি বাজেটে বিনিয়োগকাৰীৰ মনত বিশ্বাস জগাই তুলিব নোৱাৰে আৰু ই মুদ্ৰাস্ফীতিৰ সৃষ্টি কৰিব পাৰে যাৰ ফলত কোনো এখন দেশ অৰ্থনৈতিক দুৰ্যোগৰ সন্মুখীন হোৱাৰ সম্ভাৱনা থাকে।

(৪) **নগদ বাজেট (Cash Budget) ঃ** প্ৰকৃত ৰাজহ আৰু ব্যয়ৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা বাজেটকে নগদ বাজেট বোলা হয়। বিত্তীয় বছৰটোত যদি কোনো অনুমোদিত ধন খৰচ কৰা নহয় বা পাব লগীয়া ৰাজহ আদায় কৰা নহয়, তেন্তে এনে ব্যয় বা ৰাজহ

Scanned by CamScanner

নগদ বাজেটৰ অন্তৰ্ভুক্ত কৰা নহয়। ঠিক সেইদৰে পূৰ্ববৰ্তী কৰ যদি বিত্তীয় বছৰটোত আদায় কৰা হয়, তেন্তে সেই ধন বিত্তীয় বছৰৰ ৰাজহৰ অন্তৰ্ভুক্ত কৰি বিত্তীয় বছৰৰ প্ৰকল্পিত ব্যয়ত ধৰা হয়।

ৰাজহভিত্তিক আৰু নগদভিত্তিক বাজেটৰ মাজত পাৰ্থক্য আছে। ৰাজহভিত্তিক বাজেটত বিত্তীয় বছৰত আদায় নকৰা ৰাজহ আৰু খৰচ নোহোৱা ধন প্ৰকল্পিত ৰাজহ ও ব্যয় বাজেটৰ অন্তৰ্ভুক্ত কৰা হয়। কিন্তু নগদভিত্তিক বাজেটত তেনে ব্যৱস্থা নাই।

নগদ বাজেটৰ কিছুমান অসুবিধা আছে। নগদ বাজেটত বিত্তীয় বছৰৰ চূড়ান্ত হিচাপ বছৰ শেষ হোৱাৰ পাছতহে প্ৰস্তুত কৰিব পৰা যায় আৰু এই বাজেটে বছৰটোৰ ৰাজহ আৰু ব্যয়ৰ প্ৰতিচ্ছবি এখন স্পষ্টকৈ দাঙি ধৰিবলৈ সক্ষম নহয়। গতিকে বাজেটৰ প্ৰকৃতি সম্বন্ধে সহজে ধাৰণা কৰা টান।

ৰাজহভিত্তিক বাজেটত এনে ধৰণৰ দোষসমূহ পৰিলক্ষিত নহয়।

**(৫) কাৰ্যপালিকাৰ স্ব-বিবেচনা (Executive Discretion) ঃ** মুখ্য কাৰ্যপালিকাই প্ৰশাসনৰ চূড়ান্ত দায়িত্বভাৰ বহন কৰে, আৰু সেইবাবে বিভিন্ন প্ৰশাসনিক বিভাগৰ কাৰ্যাৱলী পৰ্যাৱেক্ষণ কৰাৰ দায়িত্বও কাৰ্যপালিকাৰ হাতত অৰ্পণ কৰা হৈছে। গতিকে বিনিয়োজনৰ ক্ষেত্ৰত কাৰ্যপালিকাৰ স্বতন্ত্ৰতা থকাৰ প্ৰয়োজন। এম. আৰ. ষ্ট'ৰুমৰ ভাষাত ক'বলৈ গ'লে ষ্টিয়েৰিঙৰ দায়িত্বত থকা নাবিকেহে জাহাজৰ স্থিতি আৰু গতি বিচাৰ কৰিবলৈ সক্ষম হয়, কিয়নো তেওঁ অধিকাৰ কৰি থকা স্থানৰ পৰাহে বতাহৰ শক্তি, গতি আৰু পানীৰ সোঁতৰ বিষয়ে জানিব পৰা যায়। ঠিক সেইদৰে কাৰ্যপালিকাইহে প্ৰশাসনৰ বিষয়ে সবিশেষ জানে, সংসদ বা বিধানমণ্ডলৰ বাবে এই দিশত জ্ঞান আহৰণ কৰা সম্ভৱ নহয়। সেইবাবেই সংসদে চৰকাৰৰ আঁচনি বা কাৰ্যৰ সাধাৰণ নীতিহে গ্ৰহণ কৰে আৰু এই নীতিসমূহ সফলতাৰে কাৰ্যকৰী কৰাৰ উদ্দেশ্যে বিস্তাৰিতভাৱে আঁচনি তৈয়াৰ কৰাৰ দায়িত্ব কাৰ্যপালিকাই বহন কৰে। ভাৰতবৰ্ষত আকস্মিক নিধি (Contingency Fund) সৃষ্টিক এই দিশত এক বলিষ্ঠ পদক্ষেপ বুলি ক'ব পাৰি।

**(৬) বাজেটৰ প্ৰকৃত আয়-ব্যয়ৰ পৰিমাণ (Receipts and Expenditure should be exact in the Budget) ঃ** বাজেটত দেখুওৱা আয় আৰু ব্যয়ৰ পৰিমাণ যিমানদূৰ সম্ভৱ হয় প্ৰকৃত হোৱা উচিত। অধিক মাত্ৰাৰ বা নিম্ন মাত্ৰাৰ আয় আৰু ব্যয়ৰ নিৰ্ধাৰণে বিত্তীয় পৰিস্থিতিত যথেষ্ট খেলি-মেলিৰ সৃষ্টি কৰিব পাৰে। কিয়নো অধিক মাত্ৰাৰ ব্যয় নিৰ্ধাৰণে অধিক মাত্ৰাৰ কৰ বহন কৰিবলৈ নাগৰিকক বাধ্য কৰিব। আনহাতে নিম্নমাত্ৰাৰ ব্যয় নিৰ্ধাৰণ কৰাৰ ফলত প্ৰশাসনীয় বিভাগ অচল হৈ পৰাৰ সম্ভাৱনা থাকে। প্ৰশাসনত মিতব্যয়িতা পালন কৰাটো চৰকাৰৰ অন্যতম নীতি। চলিত বিত্তীয় বছৰৰ আগৰ তিনি বছৰত আয় আৰু ব্যয়ৰ গড় উলিয়াই বাজেটৰ নিৰ্ধাৰিত আয়-ব্যয় বহু পৰিমাণে প্ৰকৃত কৰিব পাৰি।

Scanned by CamScanner

(৭) **বছৰেকীয়া নীতি (Annuality Principle) :** বাজেটৰ ম্যাদ বছৰেকীয়া হোৱা উচিত। অৰ্থাৎ ৰাজহৱা নিধিৰ ধন খৰচ কৰাৰ কৰ্তৃত্ব কাৰ্যপালিকাক এবছৰৰ বাবেহে দিয়া উচিত। অনুমোদিত ধন বিত্তীয় বছৰৰ ভিতৰতে খৰচ কৰিব লাগে যদি কোনো পৰিমাণৰ ধন খৰচ নহয় সেই বৈ যোৱা ধন বিধানমণ্ডলৰ পুনৰ অনুমোদন নোপোৱালৈকে কাৰ্যপালিকাই খৰচ কৰিব নোৱাৰে। ৰাজহৱা খৰচ আৰু ৰাজহৰ পৰিকল্পনা অধিক দীৰ্ঘম্যাদীৰ হ'ব নালাগে, কিয়নো এনে ধৰণৰ পৰিকল্পনাৰ ফলত চৰকাৰৰ বিত্তীয় অৱস্থাৰ বিষয়ে স্পষ্টভাৱে জানিব পৰা নাযায়।

(৮) **বাতিল নীতি (Rule of Lapse) :** বাজেটৰ বাতিল নীতি বছৰেকীয়া নীতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে। এই নীতি অনুসৰি বিত্তীয় বছৰত খৰচ নোহোৱা অনুমোদিত ধন বছৰটো শেষ হোৱাৰ লগে লগে বাতিল হৈ যায়। পিছৰ বিত্তীয় বছৰলৈ এই ধন জমা কৰি ৰাখিব নোৱাৰি। ইয়াৰ কাৰণ হ'ল যে বিধানমণ্ডলে কেৱল এবছৰৰ বাবেহে সেই ধন খৰচৰ কৰ্তৃত্ব কাৰ্যপালিকাক দিয়ে। গতিকে কাৰ্যপালিকাই বিধানমণ্ডলৰ পৰা পুনৰ কৰ্তৃত্ব নোপোৱালৈকে ৰাহি ধন খৰচ কৰিব নোৱাৰে।

বিত্তীয় নিয়ন্ত্ৰণ ফলপ্ৰদ কৰি তুলিবৰ বাবে বাতিল নীতিৰ প্ৰয়োজন হয়। এই নীতিৰ অবিহনে, চলিত বছৰৰ ৰাহি ধন পিছৰ বছৰত খৰচ কৰাৰ কৰ্তৃত্ব লাভ কৰে আৰু সময়ৰ গতিত বিভাগসমূহৰ ওপৰত বিধানমণ্ডলে নিয়ন্ত্ৰণ হেৰুওৱাৰ সম্ভাৱনা থাকে। অৱশ্যে এই নীতি একেবাৰে আসোঁৱাহমুক্ত নহয়। বিশেষকৈ এই নীতিৰ দ্বাৰা খৰচৰ বাবে প্ৰস্তুত কৰা আঁচনিসমূহ বাধাগ্ৰস্ত হয়। বিত্তীয় বছৰ শেষ হোৱাৰ লগে লগে অনুমোদিত ধন বাতিল হোৱাৰ আশঙ্কাত বিভাগসমূহে জনস্বাৰ্থৰ প্ৰতি দৃষ্টি ৰাখিবলৈ সক্ষম নহ'ব পাৰে।

(৯) **প্ৰকল্পৰ শিতানসমূহ হিচাপৰ শিতানৰ সৈতে একে হোৱা উচিত (The Estimates should correspond to the heads of Accounts) :** বাজেটৰ শিতানসমূহ হিচাপৰ শিতানৰ সৈতে একে হ'লে বাজেট প্ৰস্তুতি, বাজেট নিয়ন্ত্ৰণ আৰু হিচাপ ৰখা আদি সহজ হয়।

(১০) **ৰাজহ আৰু মূলধন পৃথক কৰি ৰখা উচিত (Revenue and Capital portions of Budget should be kept distinct) :** আৱৰ্তক বা পৌনঃপুনিক খৰচ (Recurring Expenditure) আৰু আয় আৰু মূলধন, আৰু ৰাজহ পৃথককৈ দেখুৱাব লাগে। বাজেটৰ দুটা ভাগ, যেনে—ৰাজহ বাজেট (Revenue or current Budget) আৰু মূলধন বাজেট (Capital Budget)-ৰ ব্যৱস্থা ৰখা উচিত। এই দুয়োটা ভাগ পৃথক কৰি নাৰাখিলে বিত্তীয় প্ৰতিচ্ছৱিত খেলি-মেলি লগাৰ সম্ভাৱনা থাকে। কিয়নো জমা, ঋণ, সম্পত্তি বিক্ৰীৰ ধন আদি চলিত আয়ৰ অন্তৰ্ভুক্ত নহয়, আৰু ঋণ পৰিশোধ, পুঁজি বিনিয়োগ আদি চলিত ব্যয় নহয়।

**একক বাজেট (Single Budget) :** একক বাজেট ব্যৱস্থাত সকলো ধৰণৰ আয় আৰু ব্যয়ৰ হিচাপ একেলগে ৰখা হয় আৰু সেইবাবে জনসাধাৰণৰ বুজাত অসুবিধা নহয়।

Scanned by CamScanner